অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
ডাকঘৰ ঃ যোৰহাট, অসম - ৭৮৫০০১

নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
অসমীয়া বিভাগ
ডাকঘৰ ঃ খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১

## বুজাবুজিৰ চুক্তি

## (Memorandum of Understanding)

এই বুজাবুজিৰ চুক্তি অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় আৰু অসমীয়া বিভাগ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ মাজত সম্পন্ন কৰা হৈছে। অসম সাহিত্য সভাৰ ডিজিটেল আৰ্কাইভলৈ সমল সংগ্ৰহৰ বাবে নিৰ্ধাৰিত সময়ৰ বাবে এই চুক্তিৰ চৰ্তসমূহ প্ৰযোজ্য হ'ব।

**বিৱৰণ**

অসম সাহিত্য সভা আৰু অসমীয়া বিভাগ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত) নিম্নলিখিত বিৱৰণ অনুসৰি কাম কৰিবলৈ চুক্তিবদ্ধ হয়—

**১.০০ বুজাবুজিৰ চুক্তি সম্পন্ন কৰাৰ কাৰণ ঃ**

১.০১ দুয়োটা পক্ষই যুটীয়াভাৱে অসম সাহিত্য সভাৰ 'ডিজিটেল আৰ্কাইভ'ৰ বাবে 'স্কেন' কৰি গ্ৰন্থ, আলোচনী আদি সংগ্ৰহ কৰিব আৰু অসম সাহিত্য সভাৰ নিৰ্দিষ্ট 'ৱেবচাইট'ত সংৰক্ষণ কৰিব। একেখিনি সমল প্ৰয়োজন সাপেক্ষে নৰ্থ লখিমপুৰ কলেজৰ পুথিভঁৰালেও সংৰক্ষণ কৰিব পাৰিব।

১.০২ 'ডিজিটেল আৰ্কাইভ' সম্পৰ্কীয় সচেতনতামূলক সভা আৰু কৰ্মশালা অনুষ্ঠিত কৰিব।

১.০৩ 'ডিজিটেল আৰ্কাইভ'ৰ কামত স্বেচ্ছামূলকভাৱে অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী, গৱেষক তথা আন ব্যক্তিক উৎসাহিত কৰিব আৰু প্ৰশংসা পত্ৰ প্ৰদান কৰিব।

**২.০০ ম্যাদ ঃ**

২.০১ এই চুক্তিৰ সময়সীমা ডিচেম্বৰ, ২০২১ৰপৰা নৱেম্বৰ, ২০২২লৈ এবছৰৰ বাবে বাহাল থাকিব।

**৩.০০ বৈঠক আৰু সিদ্ধান্ত ঃ**

৩.০১ যিকোনো কাৰ্যসূচী ৰূপায়নৰ বাবে দুয়োপক্ষৰ যুটীয়া বৈঠক অনুষ্ঠিত হ'ব।

৩.০২ জৰুৰী সময়ত চুক্তিত স্বাক্ষৰকাৰীসকলে কোনো কাৰ্যসূচীৰ বাবে সিদ্ধান্ত ল'ব পাৰিব। পৰৱৰ্তী বৈঠকত বিষয়টো অনুমোদন কৰাব লাগিব। সকলো কাৰ্যৰ তথ্য সংৰক্ষণৰ বাবে এখন কাৰ্যবিৱৰণী লিখা হ'ব।

**৪.০০ আৰ্থিক প্ৰসঙ্গ ঃ**

৪.০১ আৰ্থিক খৰছৰ প্ৰয়োজন থকা কাৰ্যসূচীৰ বাবে চৰকাৰী বা বেচৰকাৰী সংস্থাৰপৰা পৃষ্ঠপোষকতা বিচৰাৰ সুবিধা থাকিব।

৪.০২ দুয়োপক্ষৰ পুঁজি ব্যৱহাৰেৰেও কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

৪.০৩ যিকোনো এটা পক্ষৰ পুঁজিৰ ব্যৱহাৰেৰেও কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

**৫.০০ চুক্তিভঙ্গ ঃ**

৫.০১ কোনো এটা পক্ষই আনটো পক্ষৰ কাম-কাজত অসন্তুষ্ট হ'লে অভিযোগ উত্থাপন কৰিব পাৰিব। অভিযোগ গ্ৰহণৰ কৰ্তৃত্ব কেৱল অসম সাহিত্য সভাৰ ক্ষেত্ৰত সভাপতিৰ আৰু নৰ্থ লখিমপুৰ কলেজৰ ক্ষেত্ৰত অধ্যক্ষৰহে থাকিব। অভিযোগ নিষ্পত্তি নহ'লে ম্যাদ সম্পূৰ্ণ নোহোৱাকৈ চুক্তি ভঙ্গ কৰিব পাৰে।

৫.০২ আন যিকোনো জৰুৰী কাৰণত চুক্তি ভঙ্গ হ'ব পাৰে। তাৰবাবে যুটীয়া বৈঠক অনুষ্ঠিত হ'ব লাগিব।

**৬.০০ আইনগত দিশ ঃ**

৬.০১ দুয়োপক্ষই যিকোনো আইনগত কাম গুৱাহাটী অথবা লখিমপুৰ ন্যায়ালয়ত সম্পন্ন কৰিব।

**৭.০০ যোগাযোগৰ ঠিকনা ঃ**

যিকোনো যোগাযোগ তলৰ ঠিকনা দুটাত সম্পন্ন হ'ব —

প্ৰতি ঃ সভাপতি, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, অসম - ৭৮৫০০১

প্ৰতি ঃ অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১

**৮.০০ ব্যক্তি, যাৰ লগত যোগাযোগ কৰিব ঃ**

অসম সাহিত্য সভা ঃ যাদব চন্দ্ৰ শৰ্মা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট
ডাকঘৰ- যোৰহাট, অসম - ৭৮৫০০১, ফোন ঃ +৯১-৭০০২০-৩০১৩৪,
ইমেইল ঃ asam.sahitya.sabha@gmail.com

.......................................................

নৰ্থ লখিমপুৰ কলেজ ঃ ড° অৰবিন্দ ৰাজখোৱা, সহকাৰী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত),
ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১, ফোন ঃ +৯১-৯৪৩৫১-৮৯১৭৪,
ইমেইল arabindarajkhowa2011@gmail.com

**স্বাক্ষৰ—**

| অসম সাহিত্য সভাৰ হৈ— | নৰ্থ লখিমপুৰ কলেজৰ হৈ— |
| --- | --- |
| (ক) কুলধৰ শইকীয়া, সভাপতি | (ক) ড° বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ |
| [stamp: অসম সাহিত্য সভা, প্ৰতিষ্ঠা: ১৯১৭] | 11.12.21<br>স্বাক্ষৰ |
| ঠাই আৰু তাৰিখ ঃ দুলীয়াজান; ১১ ডিচেম্বৰ, ২০২১ | ঠাই আৰু তাৰিখ ঃ দুলীয়াজান; ১১ ডিচেম্বৰ, ২০২১<br>Principal<br>North Lakhimpur College<br>(Autonomous)<br>North Lakhimpur (Assam) |
| (খ) যাদব চন্দ্ৰ শৰ্মা, প্ৰধান সম্পাদক | (খ) ড° অৰবিন্দ ৰাজখোৱা, মুৰব্বী, অসমীয়া বিভাগ |
| স্বাক্ষৰ | 11.12.21<br>স্বাক্ষৰ |
| ঠাই আৰু তাৰিখ ঃ দুলীয়াজান; ১১ ডিচেম্বৰ, ২০২১<br>প্ৰধান সম্পাদক<br>অসম সাহিত্য সভা<br>তাং ১১/১২/২০২১ | ঠাই আৰু তাৰিখ ঃ দুলীয়াজান; ১১ ডিচেম্বৰ, ২০২১<br>HoD. Dept. of Assamese<br>North Lakhimpur College<br>(Autonomous) |